# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date :** 04-02-2025
**Time :** 21-25 Hrs

# Assamese Night Bulletin
::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰক নতুন দিল্লীত সাক্ষাৎ কৰি ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হবলগীয়া বিনিয়োগ সন্মিলন এডভাণ্টেজ আচামৰ দ্বিতীয় সংস্কৰণলৈ মন্ত্ৰীগৰাকীক আমন্ত্ৰণ জনায়।

শ্ৰী জয়শংকৰে দেশৰ এক্ট-ইষ্ট নীতিত অসমৰ গুৰুত্বপূৰ্ণ ভূমিকা সন্দৰ্ভত এডভাণ্টেজ আছামৰ কাৰ্যসূচীত আলোকপাত কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। শ্ৰীশৰ্মাই লগতে এই সন্মিলন সন্দৰ্ভত ভূটান, দক্ষিণ কোৰিয়া আৰু জাপান ভ্ৰমণসূচীৰ বিষয়েও মন্ত্ৰীগৰাকীক অৱগত কৰে।

মুখ্যমন্ত্ৰীগৰাকীয়ে পাকিস্তানৰ চোৰাংচোৱা সংস্থা আই এছ আইৰ সহযোগত বাংলাদেশৰ কেতবোৰ শক্তিয়ে অসমত পুনৰ উগ্ৰবাদৰ সৃষ্টি কৰিবলৈ চেষ্টা চলোৱা বুলি ওলোৱা বাতৰিক লৈ উদ্বেগ প্ৰকাশ কৰে। অৱশ্যে স্থানীয় সমৰ্থন নোহোৱাৰ বাবে এয়া সম্ভৱ নহয় বুলি তেওঁ মন্তব্য কৰে।

০০০০

অসমক আগশাৰীৰ কৃষিজাত সামগ্ৰীৰ ৰপ্তানীকাৰী ৰাজ্য হিচাপে গঢ়ি তোলাৰ বাবে চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে আৰু শীঘ্ৰে এই লক্ষ্যত উপনীত হব পৰা যাব বুলি উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান মন্ত্ৰী বিমল বৰাই প্ৰকাশ কৰিছে। গুৱাহাটীত আজি ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ৰ অধীনত কৃষি আৰু প্ৰসংস্কৰিত খাদ্য সামগ্ৰী ৰপ্তানী উন্নয়ন প্ৰাধিকৰণৰ উদ্যোগত আয়োজিত আন্তৰাষ্ট্ৰীয় সন্মিলন তথা ক্ৰেতা বিক্ৰেতা সন্মিলনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি শ্ৰীবৰাই এইদৰে মন্তব্য কৰে। তেওঁ কয়, যে চৰকাৰে অনুকুল পৰিৱেশ আৰু ভৌগলিক অৱস্থানে ৰাজ্যখনক দক্ষিণ পূৱ এচিয়াৰ দেশসমূহৰ বাবে বিশ্বমানৰ কৃষিজাত সামগ্ৰী ৰপ্তানী কৰা বজাৰত পৰিণত কৰা পূৰ্ণ সম্ভাৱনাক বাস্তৱায়িত কৰাৰ বাবে পদক্ষেপ লৈছে। শেহতীয়াভাৱে অসমৰ পৰা ১৬ মেট্ৰিকটন প্ৰাকৃতিক মৌ আৰু ২৬ মেট্ৰিকটন আদা ডুবাইলৈ ৰপ্তানী কৰা বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্য চৰকাৰে সম্প্ৰতি কেঁচা খাদ্য সামগ্ৰী ৰপ্তানীৰ পৰিৱৰ্তে প্ৰসংস্কৰিত খাদ্য সামগ্ৰী ৰপ্তানীত গুৰুত্ব আৰোপ কৰিছে। কৃষকসকলে কৃষিজাত আৰু প্ৰসংস্কৰিত খাদ্য সামগ্ৰী ৰপ্তানী উন্নয়ন প্ৰাধিকৰণৰ সহযোগত এইক্ষেত্ৰত প্ৰশিক্ষণ লাভ কৰি উপকৃত হোৱা বুলি শ্ৰীবৰাই মন্তব্য কৰে।

০০০০

নাট্যনগৰী পাঠশালাত ৫ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বি-বাৰ্ষিক অধিৱেশনৰ আজি সামৰণি পৰিব। আজি পুৱা অসমৰ জনগোষ্ঠীয় ছাত্ৰ যুৱ সন্মিলনেৰে অনুষ্ঠানৰ কাৰ্যসূচী আৰম্ভ হয়। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সভাপতি পলাশ চাংমায়ে উদ্বোধন কৰা এই সন্মিলনত কেইবাটাও ছাত্ৰ সংগঠনৰ বিষয়ববীয়াই অংশগ্ৰহণ কৰে। ইয়াৰ পাছতে সাংবাদিক সন্মিলন আৰু সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়। নিয়মীয়া বাৰ্তা কাকতৰ মুখ্য সম্পাদক নৰেশ কলিতাই উদ্বোধন কৰা এই সন্মিলনত দৈনিক অসম কাকতৰ প্ৰাক্তন সহযোগী সম্পাদক বেদব্ৰত মিশ্ৰই প্ৰতিনিধি হিচাপে অংশ লয়। দিনৰ ভাগত অনুষ্ঠিত **আকাশ** শীৰ্ষক মহিলাসকলৰ প্ৰতিভা বিকাশৰ অনুষ্ঠানটি ধেমাজিৰ বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ বিনিতা চৌধুৰী গাৱডিয়াই উদ্বোধন কৰে। বিয়লি সভাৰ মূল মঞ্চত নাট্য সন্মিলন আৰু গ্ৰন্থমেলাৰ বাকৰিত আজীৱন সভ্য

সন্মিলন অনুষ্ঠিত হয়। আজিৰ অনুষ্ঠানতে অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি মৃণালিনী দেৱীক অসম সাহিত্য সভাই জীৱনযোৰা সাহিত্য প্ৰাণ সন্মান আৰু নৃপেন্দ্ৰ নাথ ভাগৱতীক সেৱা প্ৰাণ সন্মান প্ৰদান কৰাৰ কথা সাহিত্য সভাৰ বিদায়ী প্ৰধান সম্পাদক ড° উপেন্দ্ৰজিৎ শৰ্মাই প্ৰকাশ কৰিছে।

০০০০

ৰাজ্যৰ ১২ হাজাৰ ৩৭৫ খন বিদ্যালয় সামৰি আজি গুণোৎসৱৰ তৃতীয় পৰ্যায় আৰম্ভ হৈছে। তৃতীয় পৰ্যায়ৰ আজি প্ৰথমদিনা বিদ্যালয়সমূহৰ স্ব-মূল্যায়ন কৰা হয়। ডিব্ৰুগড়, বিশ্বনাথ, দৰং, মৰিগাঁও, বঙাইগাঁও, কাছাৰ, ডিমা হাচাও, গোৱালপাৰা, মাজুলী আৰু নলবাৰী জিলাত অহা ৭ ফেব্ৰুৱাৰীলৈ তৃতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হ'ব। কোকৰাঝাৰ আৰু ওদালগুৰি জিলাৰ পূৰ্বে বৈ যোৱা একাংশ বিদ্যালয়তো গুণোৎসৱ অনুষ্ঠিত হৈছে। এই পৰ্যায়ত মুঠ ৪ হাজাৰ ৯৬৭ গৰাকী বহিঃমূল্যায়কে ১১ লাখ ৩৮ হাজাৰ ২৭৫ গৰাকী শিক্ষাৰ্থীৰ বহিঃমূল্যায়ন কৰিব।

০০০০

আৰক্ষীয়ে আজি দৰং জিলাৰ দলগাওঁ থানাৰ অন্তৰ্গত বটাবাৰীত অভিযান চলাই ৩ কিলোগ্ৰামৰো অধিক গাঞ্জা জব্দ কৰে। দলগাওঁ আৰক্ষীয়ে গোপন সূত্ৰৰ পম খেদি মটৰ চাইকেলেৰে অহা দুজন আৰোহীৰ পৰা এই গাঞ্জাখিনি জব্দ কৰে। আৰক্ষীয়ে এই সংক্ৰান্তত এজন সৰবৰাহকাৰীক আটক কৰে। অৱশ্যে আনজন সৰবৰাহকাৰী পলাবলৈ সক্ষম হয়।

০০০০

ৰাজৰ উদীয়মান ল'নবল খেলুৱৈ বিতু দাস আৰু সুৰঞ্জনা বৰুৱাই উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহৰ ফাইনেলত প্ৰৱেশ কৰিছে। একেদৰে বিমান নাথ আৰু বিশ্বজিৎ খাওন্দে পুৰুষৰ ডাবলছৰ ফাইনেল স্থান নিশ্চিত কৰিছে। সুৰঞ্জনাই আজি ছোৱালীৰ ২৫ বছৰ অনুৰ্ধ শাখাৰ হাৰিয়ানাৰ প্ৰতিদ্বন্দিক আজি ২১-১০ ফলাফলত পৰাস্ত কৰে। একেদৰে বিতুই ল'ৰাৰ ২৫ বছৰ অনুৰ্ধ বংগৰ প্ৰতিদ্বন্দি ২১-১৩ ফলাফলত পৰাভূত কৰি ফাইনেলত প্ৰৱেশ কৰে। পুৰুষৰ ডাবলছত বিমান আৰু বিশ্বজিতে উত্তৰাখণ্ডৰ যুটীক ১৬-১৪ৰ ব্যৱধানত পৰাস্ত কৰে। আজি অসমৰ খেলুৱৈসকলে ল'নবলৰ ৬ টা শাখাৰ ছেমিফাইনেলত অৱতীৰ্ণ হয় যদিও ৩ খনত জয় হয় আৰু ৩ খনত পৰাজিত হৈ ব্ৰঞ্জৰ পদকতে সন্তুষ্ট থাকিবলগীয়া হয়। ইপিনে, অলিম্পিক পদক জয়ী বক্সাৰ লাভলীনা বৰগোহাঁইয়ে মহিলাৰ ৭৫ কিলোগ্ৰাম শাখাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। আজি অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত তেওঁ উত্তৰাখণ্ডৰ প্ৰতিদ্বন্দ্বীক ৫-০ৰ ব্যৱধানত পৰাজিত কৰি পদক নিশ্চিত কৰিছে। একেদৰে পুৰুষৰ ৭১ কিলোগ্ৰাম শাখাত অসমৰ নৱাগত বক্সাৰ অভিনৱ শইকীয়াইয়ো ছেমি ফাইনেলত প্ৰৱেশ কৰি পদক নিশ্চিত কৰিছে। আজি কোৱাৰ্টাৰ ফাইনেলত তেওঁ উত্তৰাখণ্ডৰ প্ৰতিদ্বন্দ্বীক ৫-২ৰ ব্যৱধানত পৰাজিত কৰে।

ৰাজ্যৰ পুৰুষ ফুটবল দল কাইলৈ চেমিফাইনেলত কেৰালাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। বক্সিঙত শিৱ থাপা, জুনিয়ৰ বিশ্ব চেম্পিয়ন অংকুশিতা বড়ো, আৰতী দলে আৰু আইকন মিলিও কাইলৈ নিজ নিজ শাখাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰতিদ্বন্দিতা আগবঢ়াব। একেদৰে চাইক্লিঙত চয়ানিকা গগৈয়ে দ্বিতীয়টো পদকৰ লক্ষ্যৰে যুঁজত অৱতীৰ্ণ হ'ব।

০০০০

সমাপ্ত